**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**HEADLINES**

১। আদিবাসী চুক্তি অনুসৰি মূলসুঁতিলৈ ঘূৰি আহিব বিচৰা উগ্ৰপন্থী সংগঠনৰ কেডাৰসকলক পুনৰ সংস্থাপন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী দেশৰ নিৰ্বাচন আয়োগৰ দ্বাৰা আজি ঘোষণা।

৩। ছিকিমৰ আকস্মিক বানত মৃত্যু হোৱা বাক্সাৰ সেনা জোৱান মিতু কলিতাৰ শেষকৃত্য সামৰিক মৰ্যাদাৰে সম্পন্ন।

৪। চৰাইদেউ মৈদামস্থলীৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি ইউনেস্ক'ৰ এজনীয়া প্ৰতিনিধি লিম ছিং লিয়াঙৰ বিভিন্ন কীৰ্তিচিহ্নৰ তথ্য সংগ্ৰহ।

*আৰু*

৫। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুষ্ঠিত খেলত ভাৰতৰ ৬ উইকেটত জয়লাভ। আজি হায়দৰাবাদত হ'বলগীয়া খেলত নিউজিলেণ্ড নেডাৰলেণ্ডছৰ মুখামুখি।

oooooo

আদিবাসী চুক্তি অনুসৰি সন্ত্ৰাসবাদী সংগঠনৰ যিসকল কেডাৰ মূলসুঁতিলৈ ঘূৰি আহিব বিচাৰে তেওঁলোকক পুনৰ সংস্থাপন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি ৫টা আদিবাসী উগ্ৰপন্থী সংগঠনৰ এহেজাৰ ১৮১ জন প্ৰাক্তন সদস্যক ৪ লাখ টকাকৈ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা ঘোষণা কৰে। তেওঁ কয় যে, নিজৰ ব্যৱসায় কৰিব বিচৰাসকলে বেংকৰ পৰা ৩ৰ পৰা ২০ লাখ টকা ঋণ লোৱাৰ লগতে চৰকাৰৰ আন আন আঁচনিসমূহৰো সুবিধাও ল'ব পাৰিব । উল্লেখযোগ্য যে, আদিৱাসী কোব্ৰা মিলিটাৰী অব্ আসাম, অল আদিৱাসী নেচনেল লিবাৰেচন আৰ্মী, বিৰছা কামাণ্ডো ফ'ৰ্চ, আদিবাসী পিপলচ আৰ্মী আৰু চান্থাল টাইগাৰ ফ'ৰ্চৰ প্ৰাক্তন সদস্যসকলক এই ধনৰ চেক প্ৰদান কৰা হয়। তেওঁলোকে যোৱা জুলাইত অস্ত্ৰ সম্বৰণ কৰি অসম চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে আদিবাসী শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ পিছতেই ৰাজ্যলৈ শান্তি ঘূৰি আহিছে বুলি উল্লেখ কৰে। আনহাতে আন আন উগ্ৰপন্থীসকলৰ সৈতেও শান্তি আলোচনা

চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যত এতিয়া সন্ত্ৰাসবাদ আৰু আন্দোলন নাইকিয়া হোৱাৰ লগতে অৰ্থনৈতিক বিকাশে নতুন দিগন্তৰ সূচনা কৰিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আদিবাসী সমাজৰ উন্নয়নৰ বাবে আত্মসমৰ্পণকাৰী কেডাৰসকলক গাঁওবাসীৰ হকে কাম কৰিবলৈ আহ্বান জনায়। ৰাজ্যত আদিবাসী আৰু চাহ শ্ৰমিকসকলৰ বাবে ৩০খন আসন সংৰক্ষণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে চাহ বাগিচাৰ পথ নিৰ্মাণৰ বাবে ২০ কোটি টকা আবণ্টন কৰা হৈছে বুলিও ঘোষণা কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বাইহাটাৰ জাঁজীকোণাত মেৰী মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাঁজীকোণা উন্নয়ন খণ্ডৰ উদ্যোগত বিভিন্ন ৱাৰ্ড আৰু পঞ্চায়তৰ পৰা সংগৃহীত মাটিসমূহ একত্ৰ কৰি দুটা অমৃত কলহ প্ৰস্তুত কৰে। ইয়াৰে এটা দিল্লীৰ অমৃত উদ্যানলৈ আৰু আনটো গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ বাবে প্ৰেৰণ কৰা হ'ব। আন মাটিসমূহ কমলপুৰ সমষ্টিৰ উন্নয়নমূলক কামত ব্যৱহাৰ কৰা হ'ব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এখন জনসভাত সম্বোধন কৰে। ইয়াৰ লগতে তেওঁ বিহদিয়া জাঁজীকোনা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এম জি এনৰেগা আঁচনিৰ অধীনত এটি বিশেষ কেন্দ্ৰৰ উদ্বোধন কৰে। অমৃত কলহ যাত্ৰাত অংশগ্ৰহণকাৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, দুটা কলহত মাটি সংগ্ৰহ কৰি পঞ্চায়তৰ পৰা উন্নয়ন খণ্ডলৈ আৰু উন্নয়ন খণ্ডৰ পৰা ৰাজ্যলৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰ লগতে তেওঁ অসমৰ অৰুণোদয় আঁচনিৰ আৰ্হি কৰ্ণাটক আৰু মধ্যপ্ৰদেশে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে।

এই কাৰ্যসূচীত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক দিগন্ত কলিতাৰ লগতে প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

ইপিনে মেৰি মাটি, মেৰা দেশ কাৰ্যসূচীৰ অধীনত মহানগৰীৰ লতাশিল খেলপথাৰৰ পৰা গুৱাহাটী পৌৰ নিগমৰ উজান বজাৰ কাৰ্যালয়লৈ কালি অমৃত কলহ শোভাযাত্ৰা উলিওৱা হয়। হৰিনামৰ ধ্বনি, বিহুৰে উলিওৱা এই শোভাযাত্ৰাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মেয়ৰ মৃগেন শৰণীয়াকে ধৰি অন্যান্য পাৰিষদ আৰু ৰাইজে অংশগ্ৰহণ কৰে। আনহাতে কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া উন্নয়ন খণ্ডৰ অধীনত গাঁও পঞ্চায়তসমূহৰ পৰা অনা মাটি মিহলি কৰি দুটাকৈ পিতলৰ কলহত ভৰাই উন্নয়ন খণ্ড কাৰ্যালয়ত ৰখা হয়। উল্লেখযোগ্য যে, পৌৰ নিগম আৰু উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পৰা কলহসমূহ অহা ২৫ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ অনা হ'ব। ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ পিছতে ২৭ অক্টোবৰত কলহসমূহ নতুন দিল্লীলৈ লৈ যোৱা হ'ব।

চৰাইদেউ জিলাত হলৌ ফুকন গাঁও পঞ্চায়তত অমৃত কলহ যাত্ৰাত মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে তেওঁ ২২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া হলৌ ফুকন গাঁও পঞ্চায়তৰ গৃহৰ উদ্বোধন কৰে। আনহাতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনাৰ অধীনত হিতাধিকাৰীক মালবাহী বাহন প্ৰদান কৰে।

ইফালে, বৰপেটা পৌৰসভাতো অমৃত কলহ যাত্ৰাৰ  পৌৰসভা আৰু খণ্ড উন্নয়ন পৰ্যায়ৰ কাৰ্যসূচী কালি অনুষ্ঠিত হয়। যোৱা ২ অক্টোবৰত ৱাৰ্ড আৰু গাঁওবোৰত ঘৰে ঘৰে সংগ্ৰহ কৰা মাটিৰ দুটাকৈ কলহ পৌৰসভা দুখনৰ কাৰ্যালয়লৈ অনা হয়। এনেদৰেই সকলো পৌৰসভা আৰু পঞ্চায়ত কাৰ্যালয়বোৰৰ পৰা লৈ অনা কলহবোৰৰ মাটি মিহলাই সেই মাটি আন দুটা কলহত ভৰোৱা হয়। এই কলহ জিলা আয়ুক্ত কাৰ্যালয়ত জমা ৰখা হয়। যোৰহাট জিলাত আয়োজিত অমৃত কলহ যাত্ৰাত মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে।

আনহাতে তিনিচুকীয়া, মাজুলী, ৰঙিয়া, হাইলাকান্দিতো কালিৰ পৰা খণ্ড পৰ্যায়ত অমৃত কলহ যাত্ৰা অনুষ্ঠিত হৈছে।

০০০০০০

দেশৰ নিৰ্বাচন আয়োগে পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী আজি ঘোষণা কৰিব। আজি দুপৰীয়াৰ ভাগত নতুন দিল্লীত হ'বলগীয়া সংবাদমেল যোগে নিৰ্বাচন আয়োগে  ৰাজস্থান, মধ্যপ্ৰদেশ, তেলেংগানা, চত্তীশগড় আৰু মিজোৰামৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰিব।

০০০০০০

ছিক্কিমত আকস্মিক বানৰ ফলত আবদ্ধ হৈ ৰোৱা অসমৰ শিক্ষাৰ্থীসকল সুকলমে গুৱাহাটীত উপস্থিত হৈছেহি। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে শিক্ষাৰ্থীসকলক ৰেডিছন ব্লু হোটেলত আদৰণি জনায়। ছাত্ৰ-ছাত্ৰীসকলক নিৰাপদে ঘূৰাই অনাৰ ব্যৱস্থা কৰাৰ বাবে শিক্ষামন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ জনায়।

ইফালে ভাৰতীয় সেনাৰ ত্ৰিশক্তি বাহিনীয়ে নিৰুদ্দেশ হোৱা জোৱানসকলৰ সন্ধান অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে সন্ধানহীন হোৱা ২৩ জন জোৱানৰ ভিতৰত এজনক যোৱা ৪ অক্টোবৰত জীৱিত অৱস্থাত উদ্ধাৰ কৰাৰ বিপৰীতে বৰ্তমানলৈকে ৮ জন জোৱানৰ মৃতদেহ চিনাক্ত কৰা হৈছে। আনহাতে, ত্ৰিশক্তি বাহিনীয়ে উত্তৰ ছিক্কিমৰ লাছেন, লাছুং, থাংগু আৰু ছুংথাঙৰ বিভিন্ন অঞ্চলত আৱদ্ধ হৈ ৰোৱা এহেজাৰ ৭০০ গৰাকী পৰ্যটকলৈ সাহায্য প্ৰদান কৰিছে। পৰ্যটকসকলক খাদ্য, চিকিৎসা তথা যোগাযোগৰ সুবিধা প্ৰদান কৰা হৈছে। ভাৰতীয় সেনাই পৰ্যটকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ নকৰা পৰ্যন্ত তেওঁলোকৰ নিৰাপত্তাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্ঠা অব্যাহত ৰাখিছে।

০০০০০০

ছিকিমৰ আকস্মিক বানত মৃত্যু হোৱা বাক্সাৰ সেনা জোৱান মিতু কলিতাৰ শেষকৃত্য কালি সামৰিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। বাক্সা জিলাৰ আনন্দ বজাৰৰ হাটখোলাত থকা নিজ বাসগৃহত ভাৰতীয় সেনা বিষয়া-জোৱান, ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বিধায়ক, বিষয়াৰ লগতে অগণন গুণমুগ্ধৰ উপস্থিতিত জোৱানজনৰ শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, ২০১১ চনত চাকৰিত যোগদান কৰা জোৱানজন আলিপুৰদুৱাৰত কৰ্মৰত আছিল। তেওঁ বিভাগীয় নিৰ্দেশ অনুসৰি ছিকিমলৈ গৈছিল, কিন্তু ছিকিমৰ আকস্মিক বানত প্ৰাণ হেৰুৱাবলগীয়া হয়। জোৱানজনৰ মৃত্যুত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ  সমবেদন জ্ঞাপন কৰে।

০০০০০০

ইউনেস্ক'ৰ এজনীয়া প্ৰতিনিধি লিম ছিং লিয়াঙে কালি চৰাইদেউ জিলাৰ মৈদামস্থলীৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি ঐতিহাসক বিভিন্ন কীৰ্তিচিহ্নৰ তথ্য সংগ্ৰহ কৰে। ইয়াৰ পিছতেই চৰাইদেউ জিলাৰ অতিৰিক্ত আয়ুক্ত তথা শিৱসাগৰ জিলা আয়ুক্তৰ সৈতে প্ৰতিনিধিগৰাকীয়ে মত বিনিময় কৰে। দ্বিতীয় দিনৰ ভ্ৰমণকালত তেওঁ ক'ৰ জ'নত থকা পুৰাতত্ব সঞ্চালকালয় অসম আৰু কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ মৈদামসমূহ পৰিদৰ্শন কৰাৰ লগতে চৰাইদেউ মৈদামক্ষেত্ৰৰ কিছু নিলগত থকা আদৰ্শ গাঁও ভ্ৰমণ কৰে। প্ৰতিনিধিগৰাকীয়ে আজি মৈদামথলীৰ বাফাৰ জ'ন পৰিদৰ্শন কৰাৰ লগতে স্থানীয় লোকৰ লগত মত বিনিময় কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত অহা ২৫ অক্টোবৰৰ পৰা ২০২৪ বৰ্ষৰ ৭ ফেব্ৰুৱাৰীলৈ অসম সাংস্কৃতিক মহাসংগ্ৰামৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন গাঁও পঞ্চায়ত, ৱাৰ্ড, ভি চি ডি চি আৰু এম এ চি পৰ্যায়ত জ্যোতি সংগীত, ৰবীন্দ্ৰ সংগীত, বিষ্ণুৰাভা সংগীত,

ভূপেন্দ্ৰ সংগীত, বিহু নৃত্য আৰু অসমৰ লোকনৃত্যৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে বয়সৰ সময়সীমা ক-শাখাৰ বাবে ১২ৰ পৰা ১৮ বছৰ, খ-শাখাৰ বাবে ১৯ৰ পৰা ২৪ বছৰ আৰু গ-শাখাৰ বাবে ২৫ৰ পৰা ৩৫ বছৰ হ'ব লাগিব। আগ্ৰহী প্ৰতিযোগীসকলে অফলাইন আৱেদন-পত্ৰ directorculture.assam.gov.in ৰ পৰা ডাউনলোড কৰি কাইলৈৰ ভিতৰত পঞ্চায়তৰ কাৰ্যালয়, পৌৰ সভাৰ কাৰ্যালয় অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব। গাঁও পঞ্চায়ত, ৱাৰ্ড, ভি চি ডি চি আৰু এম এ চি পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ তিনিগৰাকী বিজয়ীয়ে বিধানসভা পৰ্যায়, বিধানসভা পৰ্যায়ৰ প্ৰতিটো শাখাৰ তিনিগৰাকী বিজয়ীয়ে জিলা পৰ্যায় আৰু জিলা পৰ্যায়ৰ প্ৰতিটো শাখাৰ তিনিগৰাকী বিজয়ীয়ে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব।

oooooo

ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াই কৈছে যে, ৰাজ্যৰ সমৃদ্ধিশালী সাংস্কৃতিক পৰম্পৰাক সংৰক্ষণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে নতুন নতুন প্ৰয়াস অব্যাহত ৰাখিছে। গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত কালি অনুষ্ঠিত অসম সাংস্কৃতিক মহাসভাৰ পঞ্চম ৰাজ্যিক পৰ্যায়ৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যপালগৰাকীয়ে এই কথা উল্লেখ কৰে। সাংস্কৃতিক মহাসভাৰ বিভিন্ন পদক্ষেপক ভূয়সী প্ৰশংসা কৰি ৰাজ্যপালগৰাকীয়ে কয় যে, ৰাজ্যৰ বিভিন্ন জনজাতিৰ লোকসংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণৰ ক্ষেত্ৰত মহাসভাই গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছে। তেওঁলোকৰ এই পদক্ষেপে বৃহত্তৰ অসমৰ সংস্কৃতিৰ উন্নয়নৰ লগতে সমাজৰ একতা অধিক সুদৃঢ় কৰিব। উল্লেখযোগ্য যে, অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ১০৬ গৰাকী ব্যক্তিক সন্মানিত কৰা হয়।

oooooo

জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে যোৰহাটত কালি "জৈৱ খননৰ জৰিয়তে দীৰ্ঘ সময় ধৰি জমা হৈ থকা আৱৰ্জনাৰ পুনৰ সংস্থাপন" প্ৰকল্পৰ শুভাৰম্ভ কৰে। মন্ত্ৰী সিংহলে ভাষণ প্ৰসংগত কয় যে দীৰ্ঘ সময় ধৰি জমা হৈ থকা আৱৰ্জনা পৰিস্কাৰ কৰাটো এক প্ৰকাৰ পাহাৰ পৰিস্কাৰ কৰাৰ দৰেই। এনে ধৰণৰ আৱৰ্জনাই ৰাইজৰ স্বাস্থ্য তথা পৰিবেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, জৈৱ খননৰ বৈজ্ঞানিক প্ৰক্ৰিয়াই আৱৰ্জনাসমূহৰ খনন, জৈৱ সংশোধন, পৃথকীকৰণ আৰু নিৰাপদ তথা বহনক্ষম নিষ্কাষণ সুনিশ্চিত কৰে। এই অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ, বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থাকে।

oooooo

ইজৰাইল আৰু পেলেষ্টাইনৰ সন্ত্ৰাসবাদী গোট হামাছৰ মাজত চলি থকা সংঘৰ্ষত নিহত লোকৰ সংখ্যাই ৭০০ অতিক্ৰম কৰাৰ লগতে ২ হাজাৰ ১০০তকৈও অধিক লোক আহত হৈছে। কিছুসংখ্যক স্থানত এতিয়াও যুদ্ধ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত মৃতকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে হামাছে কমেও ১০০ গৰাকী ইজৰাইলী লোকক বন্দী কৰি ৰাখিছে। সংঘৰ্ষৰ দ্বিতীয় দিনাও ইজৰাইলৰ পৰা হামাছৰ উগ্ৰপন্থী সম্পূৰ্ণৰূপে আঁতৰ হোৱা নাই। বিভিন্ন স্থানত হামাছৰ আক্ৰমণকাৰী আৰু ইজৰাইলৰ সুৰক্ষাকৰ্মীসকলৰ মাজত সংঘৰ্ষ এতিয়াও অব্যাহত আছে। দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে যে দেশখনে হামাছৰ ওপৰত অভূতপূৰ্ব ব্যয় আৰোপ কৰিছে। হামাছ শাসিত গাজাত ব্যাপক স্থল আক্ৰমণৰ সম্ভাৱনা আছে বুলিও তেওঁ আশংকা ব্যক্ত কৰে। তেওঁ কয় যে এই অঞ্চলটো পেলেষ্টাইনী ইছলামীয় জেহাদ - পি আই জেৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰো বিচৰণ ভূমি। ইজৰাইলে গাজাত বিমান আক্ৰমণ চলাই আছে বুলি সদৰি তেওঁ কয় যে স্থল আক্ৰমণ এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই।

ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰই ইজৰাইলক অস্ত্ৰ-শস্ত্ৰ তথা আহিলা-পাতি যোগান ধৰাৰ লগতে হামাছৰ আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে মধ্যপ্ৰাচ্যত আমেৰিকীয় সেনা নিয়োগ কৰিব বুলি পেণ্টাগনে কালি প্ৰকাশ কৰিছে।

০০০০০০

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাজিত কৰে। খেলখনত অষ্ট্ৰেলিয়াই নিৰ্ধাৰণ কৰি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪১ অভাৰ আৰু দুটা বলত বিজয় সাব্যস্ত কৰে। আৰম্ভণিতে ভাৰেত তিনিটা উইকেট হেৰুৱাইছিল যদিও চতুৰ্থ উইকেটত বিৰাট কোহলী আৰু কে এল ৰাহুল যুঁটীয়ে কৰা ১৬৫ ৰানৰ বৰঙণিয়ে ভাৰতৰ ইনিংছত নিৰ্ণায়ক ভূমিকা পালন কৰিছে। বিৰাট কোহলীয়ে ৮৫ ৰান কৰাৰ বিপৰীতে কে এল ৰাহুলে ৯৭ ৰান কৰি অপৰাজিত হৈ থাকে। কে এল ৰাহুলে মেন অব দ্যা মেচৰ সন্মান লাভ কৰে।

উল্লেখযোগ্য যে অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৪৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবিন্দ্ৰ জাদেজাই তিনিটা উইকেট দখল কৰে। কুলদীপ য়াদৱ আৰু যশপ্ৰীত বুমৰাই ২টা কৈ উইকেট ভগাই লয়। ইফালে আজি হায়দৰাবাদত হ'বলগীয়া খেলত নিউজিলেণ্ড নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। খেলখন বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০

আয়োজক অসমে ৭৭ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। কালি কোকৰাঝাৰ ছাই ফিল্ডত অনুষ্ঠিত গ্ৰুপ-ডিৰ খেলত অসমে বিহাৰক ৫-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। অসমৰ হৈ দীপু মিৰ্ধাই হেট্ৰিক অৰ্জন কৰাৰ লগতে অক্ৰাং নাৰ্জাৰীয়ে দুটাকৈ গ'ল দিয়ে। কালিৰ দিনটোত মুঠ তিনিখন খেল অনুষ্ঠিত হয়। এখন খেলত ৰে'লৱেই চণ্ডীগড়ক ২-০ গ'লত আৰু আন এখন খেলত ৰাজস্থানে হিমাচল প্ৰদেশক ৩-০ গ'লত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে প্ৰতিযোগিতাখন উদ্বোধন কৰে। উল্লেখযোগ্য যে গ্ৰুপ-ডিত অসম, বিহাৰ, চণ্ডীগড়, ৰে'লৱেৰ লগতে ৰাজস্থান, হিমাচল প্ৰদেশক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

# News Paper Review

পেলেষ্টাইনৰ চৰমপন্থী গোট হামাছ আৰু ইজৰাইলৰ মাজত অব্যাহত থকা যুদ্ধৰ ফলত সৃষ্টি হোৱা বিভিষিকাময় পৰিৱেশৰ বাতৰিক আজি প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বিগত ২৩ ছেপ্টেম্বৰৰ পৰা চীনত অনুষ্ঠিত হোৱা এছিয়ান গেমছৰ কালি সফলতাৰে সামৰণি পৰাৰ বাতৰিক দৈনিক অসম কাকতে **সমন্বয়ৰ ধ্বনিৰে সামৰণি হাংঝৌ এছিয়াডৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কালি আফগানিস্তানৰ পশ্চিম প্ৰান্তত অহা কেইবাটাও প্ৰলংয়কাৰী ভূইকঁপত দুই সহস্ৰাধিক লোকৰ প্ৰাণ হানি হোৱাৰ লগতে দেশখনত হোৱা বিস্তৰ ক্ষতিসাধনৰ বাতৰিক অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূতকে প্ৰমুখ্য কৰি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চলিত মাহৰ ভিতৰতেই প্ৰায় ১৫ হাজাৰ নতুন পদৰ বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এটা অনুষ্ঠানত ঘোষণা কৰাৰ বাতৰিক দ্য চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে ভিন ভিন শিৰোনামেৰে আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ছিক্কিমৰ আকস্মিক বানত মৃত্যু হোৱা বাক্সাৰ সেনা জোৱান মিতু কলিতাৰ শেষকৃত্য কালি সামৰিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**চৰাইদেউ মৈদাম পৰিদৰ্শনক লৈ উৎসৱমুখৰ পৰিৱেশ** শিৰোনামেৰে আমাৰ অসম কাকতে ছিংগাপুৰৰ পৰা অহা ইউনেস্ক'ৰ বিশেষজ্ঞ প্ৰতিনিধিয়ে দ্বিতীয় দিনত মৈদামস্থলী পৰিদৰ্শন কৰি বিভিন্ন তথ্য সংগ্ৰহ কৰাৰ বাতৰিক ফটোসহ প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰলয়ংকৰী প্ৰাকৃতিক দুৰ্যোগত বিধবস্ত ছিক্কিমত আৱদ্ধ অসমৰ শতাধিক শিক্ষাৰ্থীক অসম চৰকাৰে সুৰক্ষিতভাৱে উভতাই অনাৰ বাতৰিক দি আছাম ট্ৰিবিউন আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

( সমাপ্ত )